তোমালোকে সেইসকল লোকৰ আৱাসস্থলত প্ৰৱেশ নকৰিবা, যিসকলে নিজৰ ওপৰত অন্যায় কৰিছে। কিন্তু যদি প্ৰৱেশ কৰিবলগীয়া হয় তেন্তে কান্দোনৰত অৱস্থাত প্ৰৱেশ কৰিবা।

আব্দুল্লাহ বিন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে 'হিজৰ' নামক স্থান অতিক্ৰম কৰি আছিলোঁ, তেনেতে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক ক'লেঃ
"তোমালোকে সেইসকল লোকৰ আৱাসস্থলত প্ৰৱেশ নকৰিবা, যিসকলে নিজৰ ওপৰত অন্যায় কৰিছে। কিন্তু যদি প্ৰৱেশ কৰিবলগীয়া হয় তেন্তে কান্দোনৰত অৱস্থাত প্ৰৱেশ কৰিবা। এই
সতৰ্কতা অৱলম্বন কৰি যে, সিহঁতৰ প্ৰতি যি বিপদ আহিছিল, সেইটো যাতে তোমালোকৰ
ওপৰতো নাহে।" ইয়াৰ পিছত তেখেতে নিজৰ বাহনক ধমক প্ৰদান কৰি দ্ৰুতগতিত খেদি সেই অঞ্চল অতিক্ৰম কৰিলে।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ছামূদ সম্প্ৰদায়ৰ আৱাসস্থল অতিক্ৰম কৰাৰ সময়ত নিষেধ কৰিছিল যে, যিসকল লোকে নিজৰ ওপৰত অন্যায় কৰাৰ ফলত আল্লাহৰ শাস্তিৰ সন্মুখীন হৈছে, সিহঁতৰ ঘৰত প্ৰৱেশ নকৰিবা অথবা তাত নাযাবা। যদি প্ৰৱেশ কৰিবলগীয়া হয় তেন্তে কান্দি কান্দি শিক্ষা লোৱাৰ উদ্দেশ্যে প্ৰৱেশ কৰিবা। লগতে ভয় কৰিবা যে, সিহঁতৰ ওপৰত যি বিপদ আহিছিল সেই বিপদ যাতে তোমালোকৰ প্ৰতিও নাহে। এই কথা কোৱাৰ পিছত তেখেতে নিজৰ বাহনটোক ধমক প্ৰদান কৰি খেদিলে আৰু সেই অঞ্চলটো দ্ৰুতগতিত অতিক্ৰম কৰিলে।

http://www.sunnah.global/hadeeth/as/show/66294